“নিশ্চয় সৱাতোকৈ নিকৃষ্ট লোক হৈছে সেইসকল, যিসকলৰ জীৱনকালত কিয়ামত সংঘটিত হ’ব আৰু যিসকলে কবৰসমূহক ছাজদাৰ ঠাই বনাই লৈছে।”

আব্দুল্লাহ ইবনে মাছ‘ঊদ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, তেওঁ কৈছে, মই
ৰাছুলুল্লাহ চাল্লাল্লাহু ‘আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছে: “নিশ্চয় সৱাতোকৈ নিকৃষ্ট লোক হৈছে সেইসকল, যিসকলৰ জীৱনকালত কিয়ামত সংঘটিত হ’ব আৰু যিসকলে কবৰসমূহক ছাজদাৰ ঠাই বনাই লৈছে।” [হাছান] [(আহমদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সৱাতোকৈ নিকৃষ্ট লোকসকলৰ বিষয়ে সংবাদ দিছে। তেখেতে কৈছে, যিসকল লোক জীৱিত থকাৰ সময়ত কিয়ামত সংঘটিত হ'ব সিহঁত হৈছে আটাইতকৈ নিকৃষ্ট লোক, লগতে সেইসকল লোক যিসকলে কবৰৰ ওপৰত মছজিদ নিৰ্মাণ কৰে বা কবৰৰ ওচৰত তথা কবৰৰ ফালে মুখ কৰি নামাজ পঢ়ে।

http://sunnah.global/hadeeth/as/show/3375